অধ্যায় ৩ ঃ হিচাপবিদ্যাৰ মানসমূহ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ হিচাপবিদ্যাৰ মানৰ অর্থ আৰু প্রয়োজনীয়তাসমূহ

৩.৪ হিচাপবিদ্যাৰ মানৰ উদ্দেশ্যসমূহ

৩.৫ হিচাপবিদ্যাৰ মানৰ সুবিধাসমূহ

৩.৬ ভাৰতবর্ষত হিচাপবিদ্যাৰ মানসমূহ প্রৱর্তন কৰা কর্তৃপক্ষসমূহ

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৮ অধিক জানিবলৈ

৩.৯ অগ্রগতিৰ খতিয়ান

৩.১০ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- হিচাপবিদ্যাৰ মানসমূহৰ অর্থ আৰু গুৰুত্বৰ বিষয়ে জানিব পাৰিব
- হিচাপবিদ্যাৰ মানসমূহৰ উদ্দেশ্যসমূহ আৰু সুবিধাসমূহ ব্যাখ্যা কৰিব পাৰিব
- ভাৰতবর্ষত হিচাপবিদ্যাৰ মানসমূহ প্রবর্তন কৰা কর্মপ্রণালীৰ বিষয়ে বর্ণনা কৰিব পাৰিব
- ভাৰতবর্ষৰ চনদপ্রাপ্ত গাণনিক প্রতিষ্ঠানে প্রকাশ কৰা কিছুমান হিচাপবিদ্যাৰ মানৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- ভাৰতবর্ষত হিচাপবিদ্যাৰ মান বলবৎকৰণৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

৩.২ পৰিচয় (INTRODUCTION)

আগৰ অধ্যায়ত (অধ্যায়-২) আমি হিচাপবিদ্যাৰ নীতিসমূহৰ বিষয়ে আলোচনা কৰিলো। এই নীতিসমূহ সাধাৰণতে হিচাপবিদ্যাত প্রয়োগ কৰা হয়। কিছুমান গাণনিকে ইহঁতক অনুসৰন নকৰিবও পাৰে। কিন্তু সৰহ সংখ্যক হিচাপবিদ্যাৰ লগত জড়িত পেচাদাৰী ব্যক্তিয়ে হিচাপবিদ্যাৰ নীতিসমূহৰ প্রয়োগত উদ্ভৱ হোৱা ব্যতিক্রমসমূহ সাধাৰণতে অস্বীকাৰ কৰে। সেয়ে এনে পৰিস্থিতিয়ে হিচাপ প্রস্তুতকৰণত বিভ্রান্তিৰ সৃষ্টি কৰে। একে ধৰণেৰে বিত্তীয় বিৱৰনিসমূহ ব্যৱহাৰ কৰোতাসকলেও হিচাপবিদ্যাৰ নীতিসমূহৰ প্রয়োগত থকা ব্যতিক্রমসমূহ ভাল নাপায়। কিয়নো এনে ব্যতিক্রমসমূহে তেওঁলোকৰ সিদ্ধান্ত গ্রহণ প্রক্রিয়াত সমস্যাৰ সৃষ্টি কৰে। সেয়ে, উভই পক্ষই হিচাপবিদ্যাৰ নীতিসমূহ প্রয়োগত থকা ব্যতিক্রমসমূহ ন্যূনতম কৰিবলৈ চেষ্টা কৰে। পৃথিৱীৰ

সকলোবোৰ হিচাপ প্ৰণয়নকাৰী সংস্থা (Accounting Bodies) আৰু প্ৰতিষ্ঠানসমূহে সকলোৰে বাবে গ্ৰহণযোগ্য হিচাপবিদ্যাৰ নীতিসমূহ উদ্ভাৱন কৰিবলৈ ধাৰাবাহিকভাৱে চেষ্টা চলাই আহিছে। তেওঁলোকে গৱেষণামূলক অধ্যয়ন চলাইছে আৰু হিচাপবিদ্যাৰ নীতিসমূহৰ বিৱৰ্ধন আৰু উৎকৰ্ষ সাধনৰ বাবে এনে গৱেষনাৰ জৰিয়তে পোৱা আৱিষ্কাৰসমূহ সময়ে সময়ে নিশ্চিতভাৱে ঘোষনা কৰিছে। এনেদৰে বিৱৰ্ধন তথা উন্নতিসাধন কৰা হিচাপবিদ্যাৰ নীতিকে হিচাপবিদ্যাৰ মান বুলি জনা যায়। ব্যৱহাৰিক প্ৰয়োগৰ ক্ষেত্ৰত হিচাপবিদ্যাৰ এই মানসমূহ সাধাৰণতে হিচাপবিদ্যাৰ লগত জড়িত সকলো পেশাদাৰী ব্যক্তিয়ে গ্ৰহণ কৰিব লাগে আৰু সেয়ে ইহঁতক সাধাৰণভাৱে স্বীকৃত হিচাপবিদ্যাৰ নীতিৰ (GAAP) ভিতৰত অন্তৰ্ভুক্ত কৰা হয়।

৩.৩ হিচাপবিদ্যাৰ মানৰ অৰ্থ আৰু প্ৰয়োজনীয়তাসমূহ (MEANING AND NEEDS OF ACCOUNTING STANDARDS)

হিচাপবিদ্যাৰ মানসমূহ হৈছে প্ৰতিষ্ঠিত আৰু স্বীকৃত আদৰ্শ, যি হিচাপ সম্পৰ্কীয় লেনদেন তথা তথ্যৰ ব্যৱহাৰৰ উৎকৃষ্ট , উপযুক্ত আৰু নিৰপেক্ষ ব্যৱস্থাৱলী আগবঢ়ায়, তদুপৰি তথ্য ব্যৱহাৰ কৰোঁতাৰ যুক্তিসন্মত আৰু ন্যায়সঙ্গত সিদ্ধান্ত লোৱাৰ সুবিধাৰ বাবে তথ্যসমূহক বিত্তীয় বিৱৰণিসমূহত বৰ্ণনা কৰিব লাগে।

T.P. Ghosh ৰ মতে হিচাপবিদ্যাৰ মানসমূহ হৈছে হিচাপসম্পৰ্কীয় লেনদেন আৰু ঘটনাৰ পৰিমান, বৰ্ণনা আৰু প্ৰকাশৰ লগত জড়িত বিভিন্ন দিশৰ বিষয়ে স্বীকৃত অভিজ্ঞ হিচাপবিদ্যাৰ সংস্থাই বিলি কৰা কৰ্মপন্থামূলক দলিল (Accounting standards are the policy document issued by the recognised expert accountancy body relationg to various aspects of measurement, treatment and disclosure of accounting transactions and events)" হিচাপবিদ্যাৰ মানে হিচাপ সম্পৰ্কীয় ঘটনাৰ প্ৰতিকাৰৰ বিষয়ে নিৰ্দ্দেশাৱলী দিয়ে আৰু ইহঁতক সকলোৰে গ্ৰহণযোগ্য, নিৰপেক্ষ আৰু পৰিষ্কাৰভাৱে প্ৰকাশ কৰিব লাগে। ইহঁত বিত্তীয় তথ্যৰ পৰিমাপ, মূল্যায়ন, বিবৃতি দাখিল আৰু প্ৰকাশ কৰা হিচাপ সম্পৰ্কীয় নিয়ম আৰু কৰ্মপ্ৰণালীৰ লগত জড়িত থাকে।

হিচাপবিদ্যাৰ মানসমূহে হিচাপৰক্ষণৰ ক্ষেত্ৰত বিভিন্ন বিকল্প পদ্ধতিৰ ব্যৱহাৰত বাধা দি এক নিৰ্দিষ্ট মান ব্যৱহাৰ কৰাৰ পোষকতা কৰে। হিচাপবিদ্যাৰ মানসমূহ সাধাৰণভাৱে স্বীকৃত হিচাপবিদ্যাৰ নীতিসমূহৰ (GAAP) সংহিতা আকাৰে লিপিবদ্ধ কৰা হয়। ইহঁতক হিচাপৰক্ষণৰ কৰ্মপ্ৰণালী আৰু অনুশীলনৰ আদৰ্শ বুলি উল্লেখ কৰা হয়। বিত্তীয় বিৱৰণিত অন্তৰ্ভুক্ত কৰা পদসমূহ হিচাপত কেনেকৈ সন্নিৱিষ্ট কৰা হ'ব আৰু ইহঁতক বাৰ্ষিক প্ৰতিবেদনত কেনেকৈ উপস্থাপন কৰা হ'ব তাক নিৰ্দেশ দিয়াৰ সংকেত আৰু নীতিসম্পৰ্কীয় নিৰ্দেশাৱলী হিচাপে গণ্য কৰা হয়। হিচাপবিদ্যাক ব্যৱসায়ৰ ভাষা হিচাপে সম্প্ৰসাৰন কৰিবৰ বাবে হিচাপবিদ্যাৰ মানসমূহৰ বিকাশ ঘটাব লাগে।

হিচাপবিদ্যাৰ মানসমূহৰ মূল লক্ষ্য হৈছে ব্যৱসায় প্ৰতিষ্ঠানসমূহে অনুসৰন কৰা ভিন্

ভিন্ হিচাপৰক্ষণৰ কৰ্মপ্ৰণালী আৰু অনুশীলনৰ মাজত সমন্বয় সাধন কৰা। এই বিষয়ত দেশীয় তথা জাতীয় আৰু আন্তৰ্জাতিক স্তৰত চেষ্টাৰ প্ৰয়োজন হয়। যেতিয়া প্ৰচলিত হৈ থকা সাধাৰণভাৱে স্বীকৃত হিচাপবিদ্যাৰ নীতিসমূহৰ সীমাবদ্ধতা অনুভৱ কৰা হ'ল, তেতিয়াই হিচাপসম্বন্ধীয় ঘটনাৰ মানবিশিষ্টকৰণ আৰু সিহঁতক বিত্তীয় বিৱৰণিত প্ৰকাশৰ উন্নতি সাধনৰ বাবে চিন্তা কৰা হয়। ঘটনা বা লেনদেনৰ বাবে প্ৰাপ্তিসাধ্য হৈ থকা বিভিন্ন বিকল্প ব্যৱহাৰ আৰু সিহঁতক গাণনিক আৰু পৰিচালকসকলে তেওঁলোকৰ নিজৰ ইচ্ছা অনুসৰি যিকোনো ধৰণেৰে বৰ্ণনা কৰাত সিদ্ধান্ত লওঁতাৰ বাবে বিত্তীয় বিৱৰণিসমূহ কম উপযোগী হৈ পৰে, যিহেতু এই বিৱৰণিসমূহৰ সহায়ত তেওঁলোকে আন্তঃ প্ৰতিষ্ঠানৰ (Inter firm) মাজত তুলনামূলক অধ্যয়ন কৰিব নোৱাৰে। ই হিচাপ পৰীক্ষা কৰা হিচাপৰ ওপৰত বিনিয়োগকাৰীসকলৰ আস্থা কমাই দিয়ে আৰু সেয়ে ইয়াৰ ফলত হিচাপবিদ্যা পেশাৰ মৰ্য্যদা হানি হয়।

হিচাপবিদ্যাৰ মানসমূহৰ প্ৰয়োজনীয়তা (NEEDS OF ACCOUNTING STANDARDS)ঃ

হিচাপবিদ্যাৰ মানসমূহ প্ৰাথমিক ভাৱে হিচাপৰক্ষণৰ সম্পাদনৰ মাজত সমন্বয় সাধনৰ বাবে প্ৰয়োজন হয়। এই সংক্ৰান্তত ১৯৮৩ চনত David Solomons এ দিয়া প্ৰতিবেদন উল্লেখযোগ্য। তেওঁ হিচাপবিদ্যাৰ মান প্ৰৱৰ্তন কৰা বাবে নিম্নলিখিত যুক্তিসমূহ আগবঢ়াইছিল।

- নিগমসমূহক তেওঁলোকে কি প্ৰতিবেদন দিব আৰু বজাৰৰ নীতিৰ ওপৰত কেনেকৈ প্ৰতিবেদন দিব এই সংক্ৰান্তত সম্পূৰ্ণ স্বাধীনতা প্ৰদান কৰিব নোৱাৰি। এনে স্বাধীনতাই বিনিয়োগকাৰী আৰু পাওনাদাৰসকলৰ স্বাৰ্থ হানি কৰে।
- বিভিন্ন প্ৰতিষ্ঠানে সৃষ্টি আৰু প্ৰকাশ কৰা বিত্তীয় তথ্য একেধৰণৰ হিচাপবিদ্যাৰ মান প্ৰৱৰ্তনৰ যোগেদি ইহঁতৰ তুলনা কৰাত সহজ হয়। তথ্যৰ মূল্য তেতিয়াহে বাঢ়িব যেতিয়া ইহঁতক বিভিন্ন প্ৰতিষ্ঠানৰ মাজত তুলনা কৰা হয়।
- তৃতীয় যুক্তিত কোৱা হয় যে হিচাপবিদ্যাৰ মানে হিচাপসম্পৰ্কীয় তথ্য ব্যৱহাৰ কৰোঁতাসকলক আৰ্থিক সিদ্ধান্ত গ্ৰহণ কৰাত সহায় কৰিব লাগে। এই মানসমূহে হিচাপ সম্পৰ্কীয় তথ্যৰ প্ৰসাৰণত সমতাৰ নীতি অৱলম্বন কৰে।
- তদুপৰি, ব্যৱসায় গোলকীকৰণ আৰু আন্তৰ্জাতিককৰণৰ বিবেচনাত হিচাপসম্পৰ্কীয় বিষয়সমূহৰ প্ৰৱৰ্তন আৰু সিহঁতক প্ৰকাশ কৰা পদ্ধতিসমূহৰ গ্ৰহণযোগ্য ব্যৱস্থাৱলী গোলকীয়ভাৱে গ্ৰহণ কৰাটো প্ৰয়োজন হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ হিচাপবিদ্যাৰ মানৰ ধাৰণা সম্পৰ্কে সংজ্ঞা দিয়ক।

.....

.....

.....

প্রশ্ন নং ২ঃ হিচাপবিদ্যাৰ মানসমূহৰ যিকোনো তিনিটা প্রয়োজনীয়তা উল্লেখ কৰক।

(ক) .....

(খ) .....

(গ) .....

৩.৪ হিচাপবিদ্যাৰ মানৰ উদ্দেশ্যসমূহ (OBJECTIVES OF ACCOUNTING STANDARDS)

হিচাপবিদ্যাৰ মানসমূহৰ উদ্দেশ্যসমূহ তলত উল্লেখ কৰা হ'ল—

- হিচাপবিদ্যাৰ মানসমূহৰ অতি গুৰুত্বপূর্ণ উদ্দেশ্য হৈছে হিচাপসম্পর্কীয় বিৱৰণিসমূহৰ প্রকাশত ঐক্যতা অনা আৰু বিত্তীয় বিৱৰণিসমূহত থকা তথ্যৰ সামঞ্জস্য আৰু তুলনা যোগ্যতা নিশ্চিত কৰা।
- সংঘবদ্ধ নিগমৰ নিয়ন্ত্রন আৰু দায়িত্ব বৃদ্ধিৰ আহিলা হিচাপে হিচাপবিদ্যাৰ মানসমূহক ব্যৱহাৰ কৰাটো হিচাপবিদ্যাৰ মানসমূহৰ আন এটা উদ্দেশ্য।
- হিচাপৰ কামকাজৰ কার্য্যকাৰীতা আৰু হিচাপসম্পর্কীয় অনুশীলনত নিৰপেক্ষ, ন্যায়সঙ্গত সততা, সামঞ্জস্য আৰু স্বচ্ছতা নিশ্চিত কৰিবৰ বাবে হিচাপবিদ্যাৰ মানসমূহক সূত্রবদ্ধ কৰা হৈছে।
- হিচাপবিদ্যাৰ মানসমূহৰ আন এটা উদ্দেশ্য হৈছে হিচাপবিদ্যাক ব্যৱসায়ৰ ভাষা হিচাপে বিকাশ সাধন কৰা।

৩.৫ হিচাপবিদ্যাৰ মানৰ সুবিধাসমূহ(ADVANTAGES OF ACCOUNTING STANDARDS)

হিচাপবিদ্যাৰ মানসমূহে গাণনিকসকলক এক নির্দ্দিষ্ট পৰিস্থিতিত উপযোগী হোৱা হিচাপসম্পর্কীয় কর্ম প্রণালীৰ যোগান ধৰে। হিচাপবিদ্যাৰ মানসমূহৰ উপযোগিতাসমূহ তলত উল্লেখ কৰা হ'ল-

- হিচাপবিদ্যাৰ মানসমূহে বিত্তীয় বিৱৰণিসমূহৰ বিশ্বাসযোগ্যতা আৰু নির্ভৰযোগ্যতা বৃদ্ধি কৰে।
- হিচাপবিদ্যাৰ মানসমূহে বিত্তীয় বিৱৰণিসমূহৰ সামঞ্জস্যতা আৰু তুলনাযোগ্যতা নিশ্চিত কৰে।
- ব্যৱসায় স্বার্থ জড়িত বিভিন্ন দলৰ মাজত থকা বিত্তীয় স্বার্থৰ বিশ্লেষণ আৰু নিষ্পত্তি কৰাত হিচাপবিদ্যাৰ মানসমূহে সহায় কৰে।
- হিচাপবিদ্যাৰ মানসমূহে হেৰ্‌ফেৰ্ আৰু প্রতাৰণা কৰাৰ সুযোগ হ্রাস কৰে।
- হিচাপবিদ্যাৰ মানসমূহ হিচাপ পৰীক্ষকৰ বাবেও সহায়ক হয়। কোম্পানীৰ ক্ষেত্রত এইটো হিচাপ পৰীক্ষৰ কর্তব্য হিচাপে গণ্য কৰা হয় য'ত বিত্তীয় বিৱৰণিসমূহ প্রস্তুত কৰোতে

তেওঁলোকে হিচাপবিদ্যাৰ মানসমূহ অনুসৰন কৰাটো নিশ্চিত কৰিব লাগে। ইয়াৰ পৰা যদি ফালৰি কাটি যোৱা হৈছে, তেনেহ'লে তেওঁলোকৰ প্রতিবেদনত এই বিষয়টো উপযুক্তভাৱে প্রকাশ কৰাটো তেওঁলোকৰ কর্তব্য, যাতে এনে বিৱৰণি ব্যৱহাৰ কৰোতাই এই ভিন্নতাৰ বিষয়ে অৱগত হৈ থাকে। এনে প্রকাশে হিচাপ পৰীক্ষকক কোম্পানীৰ আইনৰ অধীনত হ'ব পৰা দণ্ডনীয় ব্যৱস্থাৰ পৰা অব্যাহতি দিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ হিচাপবিদ্যাৰ মানসমূহৰ দুটা উদ্দেশ্য উল্লেখ কৰক।

(ক) .....

(খ) .....

প্রশ্ন নং ৪ঃ হিচাপবিদ্যাৰ মানসমূহৰ দুটা সুবিধা উল্লেখ কৰক।

(ক) .....

(খ) .....

৩.৬ ভাৰতবর্ষত হিচাপবিদ্যাৰ মানসমূহ প্রৱর্তন কৰা কর্তৃপক্ষসমূহ (AUTHORITIES FOR SETTING ACCOUNTING STANDARDS IN INDIA)

ভাৰতবর্ষত তিনিটা কর্তৃপক্ষই হিচাপবিদ্যাৰ মানসমূহ তেওঁলোকৰ সশ্লিষ্ট আইন প্রনয়ণৰ ক্ষমতাৰ অধীনত প্রৱর্তন আৰু প্রকাশ কৰিব পাৰে। এই কর্তৃপক্ষকেইটা হ'ল-

- ভাৰতবর্ষৰ চনদপ্রাপ্ত গাণনিক প্রতিষ্ঠানৰ সংসদ (The Council of the Institute of Chartered Accountants of India)
- ১৯৬১ চনৰ আয়কৰ আইনৰ অধীনত কেন্দ্রীয় চৰকাৰ আৰু
- ১৯৫৬ চনৰ কোম্পানী আইনৰ অধীনত কেন্দ্রীয় চৰকাৰ ।

১৯৬১চনৰ আয়কৰ আইনৰ ১৪৫ (২)ধাৰাৰ অধীনত কেন্দ্রীয় চৰকাৰক

যিকোনো শ্রেণীৰ কৰদাতা বা যিকোনো শ্রেণীৰ আয়ৰ ক্ষেত্রত অনুসৰন কৰিবলগীয়া হিচাপবিদ্যাৰ মানসমূহ সময়ে সময়ে প্রচাৰ কৰিবৰ বাবে কর্তৃত্ব দিছে।

১৯৫৬ চনৰ কোম্পানী আইনৰ ২১০ A (1) ধাৰাৰ অধীনত কেন্দ্রীয় চৰকাৰে এখন বাৰজনীয়া হিচাপবিদ্যাৰ মানসমূহৰ জাতীয় উপদেষ্টা সমিতি (National Advisory Commitee on Accounting Standards চমুকৈ (NACAS) গঠন কৰিছে। এই আইনৰ অধীনত বর্তমানলৈকে যদিও কোনো হিচাপবিদ্যাৰ মান ৰচনা কৰা হোৱা নাই, কিন্তু এই আইনৰে ২১০ ধাৰাত উল্লেখ কৰিছে যে ভাৰতবর্ষৰ চনদপ্রাপ্ত গাণনিক প্রতিষ্ঠানে নির্দ্দিষ্ট কৰি দিয়া হিচাপবিদ্যাৰ মানসমূহ এই ধাৰাৰ অধীনত উক্ত হিচাপবিদ্যাৰ মানসমূহ কেন্দ্রীয় চৰকাৰে নির্দ্দিষ্ট কৰি দিয়া বুলি গণ্য কৰা হ'ব।

যিহেতু বিত্তীয় হিচাপ পৰীক্ষা ভাৰতবৰ্ষত অৰ্হতাসম্পন্ন চনদপ্ৰাপ্ত গাণনিকৰ দ্বাৰা সম্পন্ন কৰা হয়; সেয়ে ভাৰতবৰ্ষৰ চনদপ্ৰাপ্ত গাণনিক প্ৰতিষ্ঠানে হিচাপবিদ্যাৰ মানসমূহৰ প্ৰবৰ্তন, প্ৰকাশ আৰু কাৰ্য্যকৰীকৰণত বাধ্য কৰাব পাৰে। গতিকে এই সংক্ৰান্তত ভাৰতবৰ্ষৰ চনদপ্ৰাপ্ত গাণনিক প্ৰতিষ্ঠানে অনুসৰণ কৰা কাৰ্য্যপ্ৰণালী তলত বৰ্ণনা কৰা হ'ল।

১৯৪৯ চনত লোকসভাত গৃহীত আইনৰ অধীনত ভাৰতবৰ্ষৰ চনদপ্ৰাপ্ত গাণনিক প্ৰতিষ্ঠান নিম্নলিখিত দুটা মূল কাম সম্পাদন কৰিবৰ বাবে স্থাপন কৰা হয়।

(ক) চনদপ্ৰাপ্ত গাণনিক পৰীক্ষা পৰিচালনা কৰা আৰু হিচাপৰক্ষণ আৰু হিচাপ পৰীক্ষাৰ কামকাজ সমূহ সম্পন্ন কৰিবৰ বাবে চনদপ্ৰাপ্ত গাণনিক প্ৰস্তুত কৰা।

(খ) হিচাপবিদ্যা আৰু হিচাপ পৰীক্ষাৰ মানসমূহ আৰু ইহঁতৰ নিৰ্দেশাৱলী স্পষ্টভাৱে প্ৰকাশ কৰা।

ভাৰতবৰ্ষৰ চনদপ্ৰাপ্ত গাণনিক প্ৰতিষ্ঠান আন্তৰ্জাতিক গাণনিক সংঘৰ (International Federation Accountants) পূৰ্ণকালীন সদস্য আৰু আন্তৰ্জাতিক হিচাপবিদ্যাৰ মান সমিতিৰ (International Accounting Standard Committee) ১৯৭৪ চনৰ এপ্ৰিল মাহৰ পৰাই সন্মিলিত সদস্য হৈ আছে। ভাৰতবৰ্ষত প্ৰচলিত হৈ থকা হিচাপৰক্ষণৰ বিভিন্ন কৰ্মপ্ৰণালীসমূহৰ সমন্বয় সাধনৰ প্ৰয়োজন স্বীকাৰ কৰি আৰু ইহঁতক আন্তৰ্জাতিক হিচাপৰক্ষণৰ কৰ্ম প্ৰণালীৰ লগত একত্ৰিত কৰাৰ উদ্দেশ্যে ভাৰতবৰ্ষৰ চনদপ্ৰাপ্ত গাণনিক প্ৰতিষ্ঠানে ১৯৭৭ চনৰ ২১ এপ্ৰিল তাৰিখত হিচাপবিদ্যাৰ মান বোৰ্ড (Accounting Standards Board) গঠন কৰে। হিচাপবিদ্যাৰ মান বোৰ্ডে বিভিন্ন সম্বন্ধযুক্ত আৰু স্বাৰ্থজড়িত সংস্থাৰ দল যেনে- শিল্প আৰু বাণিজ্য,কোম্পানী আইন, কেন্দ্ৰীয় প্ৰত্যক্ষ কৰৰ বোৰ্ড (CBDT) ভাৰতবৰ্ষৰ নিয়ন্ত্ৰক আৰু মহালেখ পৰীক্ষক (CAGI) বেংক, ৰাজহুৱা প্ৰতিষ্ঠানসমূহ আৰু বৃত্তিধাৰী হিচাপ পৰীক্ষকসকলক যথাযথভাৱে প্ৰতিনিধিত্ব কৰিবলৈ সুযোগ দিছে।

হিচাবিদ্যাৰ মান বোৰ্ডৰ প্ৰধান কাম হৈছে হিচাপবিদ্যাৰ মানসমূহ সূত্ৰবদ্ধ কৰা যাতে এই মানসমূহ ভাৰতবৰ্ষৰ চনদপ্ৰাপ্ত গাণনিক প্ৰতিষ্ঠানে প্ৰতিষ্ঠিত কৰিব পাৰে। হিচাপবিদ্যাৰ মানসমূহ সূত্ৰবদ্ধ কৰোতে হিচাপবিদ্যাৰ মান বোৰ্ডে ভাৰতত প্ৰচলিত হৈ থকা আইন, ৰীতিনীতি, প্ৰথা আৰু ব্যৱসায়িক পৰিবেশসমূহ বিবেচনাত লয়। সেই অনুসৰি হিচাপবিদ্যাৰ মানসমূহ সূত্ৰবদ্ধ কৰোতে হিচাপবিদ্যাৰ মান বোৰ্ডে আন্তৰ্জাতিক হিচাপবিদ্যাৰ মানসমিতি বুনিয়াদে (Interational Accounting Standard Committee Foundation) প্ৰৱৰ্তন কৰা আন্তৰ্জাতিক হিচাপবিদ্যাৰ মানসমূহৰ (International Accounting Standards) ওপৰতো গুৰুত্ব আৰোপ কৰিব লাগে আৰু সিহঁতক যিমানদূৰ সম্ভৱ ভাৰতবৰ্ষত প্ৰচলিত হৈ থকা পৰিস্থিতি আৰু অনুশীলনৰ সহায়ত সমন্বয় সাধন কৰি সম্পূৰ্ণ কৰিবৰ বাবে চেষ্টা কৰিব লাগে।



৩.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত দিশসমূহৰ বিষয়ে আলোচনা কৰিলোঁ-

- হিচাপবিদ্যাৰ মানসমূহ হৈছে বিত্তীয় বিৱৰণিসমূহ প্ৰস্তুত কৰোতে ব্যৱহাৰ কৰা প্ৰতিষ্ঠিত নিয়ম।
- বিত্তীয় তথ্য প্ৰকাশত হিচাপবিদ্যাৰ মানসমূহে ঐক্যতা আনে।
- হিচাপবিদ্যাৰ মানসমূহে বিত্তীয় বিৱৰণিসমূহৰ তুলনা কৰিবলৈ সহজ কৰে।
- হিচাপবিদ্যাৰ মানসমূহ হিচাপ পৰীক্ষকৰ সহায়ক হয়।
- চনদপ্ৰাপ্ত হিচাপবিদ্যাৰ পৰীক্ষা আৰু হিচাপৰক্ষণ আৰু হিচাপ পৰীক্ষা কাৰ্য্য সম্পাদন কৰিবৰ বাবে চনদপ্ৰাপ্ত গাণনিক প্ৰস্তুত কৰা আৰু হিচাপবিদ্যাৰ আৰু হিচাপ পৰীক্ষাৰ মানসমূহ আৰু নিৰ্দেশাৱলী সূত্ৰবদ্ধ কৰিবৰ বাবে ভাৰতবৰ্ষৰ চনদপ্ৰাপ্ত গাণনিক প্ৰতিষ্ঠান স্থাপন কৰা হয়।
- ভাৰতবৰ্ষৰ চনদপ্ৰাপ্ত গাণনিক প্ৰতিষ্ঠানে বিভিন্ন হিচাপবিদ্যাৰ মানসমূহ প্ৰৱৰ্তন কৰে।
- হিচাপবিদ্যাৰ মানসমূহলৈ আইনগত আৰু কৰ্তৃত্বমূলক সমৰ্থন ভাৰতবৰ্ষৰ চনদপ্ৰাপ্ত গাণনিক প্ৰতিষ্ঠান, কেন্দ্ৰীয় চৰকাৰ আৰু ভাৰতবৰ্ষৰ প্ৰতিভুতি আৰু বিনিময় ব'ৰ্ডে আগবঢ়ায়।



৩.৮ অধিক জানিবলৈ (FURTHER READINGS)

ইংৰাজী গ্ৰন্থ ঃ

1) Bhattacharya Ashis. Financial Accounting, New Delhi, Prentice Hall of India Pvt. Ltd.
2) Maheshwari S. N. Financial Accounting, New Delhi, Vikash Publishing House Pvt. Ltd.
3) Dam B. B. & Theory and Gautam H. C. Practice of Financial Accounting, Guwahati, Capital Publishing Company.
4) Gupta R. L. & Radhaswamy M. Accountancy, New Delhi, Sultan Chand & Sons.



৩.৯ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্রশ্নৰ উত্তৰঃ " হিচাপবিদ্যাৰ মানসমূহ হৈছে হিচাপসম্পৰ্কীয় লেনদেন আৰু ঘটনাৰ পৰিমাপ, বৰ্ণনা আৰু প্রকাশৰ লগত জড়িত বিভিন্ন দিশৰ বিষয়ে স্বীকৃত অভিজ্ঞ হিচাপবিদ্যাৰ সংস্থাই বিলি কৰা কর্মপন্থামূলক দলিল।"

২ নং প্রশ্নৰ উত্তৰঃ (ক) বিনিয়োগকাৰী আৰু পাওনাদাৰসকলৰ স্বার্থ সুৰক্ষা কৰা।

(খ) তুলনাযোগ্যতা।

(গ) হিচাপসম্পৰ্কীয় তথ্যৰ গোলকীয়ভাবে গ্রহণযোগ্যতা।

৩ নং প্রশ্নৰ উত্তৰঃ (ক) বিত্তীয় প্রতিবেদনত ঐক্যতা অনা আৰু সামঞ্জস্য আৰু বিত্তীয় বিৱৰণিত থকা তথ্যৰ তুলনাযোগ্যতা নিশ্চিত কৰা।

(খ) হিচাপবিদ্যাৰ মানসমূহ আহিলা হিচাপে ব্যৱহাৰ কৰি আইন সংক্রান্ত পৰিচালনা আৰু দায়িত্ব বৃদ্ধি কৰা।

৪ নং প্রশ্নৰ উত্তৰঃ (ক) হিচাপবিদ্যাৰ মানসমূহে বিত্তীয় বিৱৰণিসমূহৰ বিশ্বাসযোগ্যতা আৰু নির্ভৰশীলতা উন্নত কৰে।

(খ) হিচাপবিদ্যাৰ মানসমূহে বিভিন্ন দলৰ মাজত থকা বিত্তীয় বিবাদ নিষ্পত্তি কৰাত সহায় কৰে ।



৩.১০ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

প্রশ্ন ১ঃ হিচাপবিদ্যাৰ মানসমূহ কি ?

প্রশ্ন ২ঃ হিচাপবিদ্যাৰ মানসমূহৰ প্রয়োজনীয়তা সমূহ কি কি ?

প্রশ্ন ৩ঃ হিচাপবিদ্যাৰ মানসমূহৰ উপকাৰিতাসমূহ কি কি ?

*** ***** ***